# PAPER-III
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ______________________________
   (Name) ______________________________
2. (Signature) ______________________________
   (Name) ______________________________

OMR Sheet No. : ..............................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |
(In figures as per admission card)

Roll No.______________________________
(In words)

| J | 3 | 6 | 1 | 6 |
|---|---|---|---|---|

Time : **2 ½** hours] [Maximum Marks : **150**

Number of Pages in this Booklet : **24**

Number of Questions in this Booklet : **75**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of seventy five multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Test Booklet Number should be entered on the OMR Sheet and the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (1), (2), (3) and (4). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** ① ② ● ④
   where (3) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Booklet only.** If you mark your response at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means, such as change of response by scratching or using white fluid, you will render yourself liable to disqualification.
9. You have to return the Original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are, however, allowed to carry original question booklet and duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Black Ball point pen provided by C.B.S.E.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. इस पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचहत्तर बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए पुस्तिका पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद प्रश्न-पुस्तिका का नंबर OMR पत्रक पर अंकित करें और OMR पत्रक का नंबर इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (1), (2), (3) तथा (4) दिये गये हैं । आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है :
   **उदाहरण** : ① ② ● ④
   जबकि (3) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पुस्तिका के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं । यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, जैसे कि अंकित किये गये उत्तर को मिटाना या सफेद स्याही से बदलना तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें । हालांकि आप परीक्षा समाप्ति पर मूल प्रश्न-पुस्तिका तथा OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं ।
10. **केवल C.B.S.E. द्वारा प्रदान किये गये काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई नकारात्मक अंक नहीं हैं ।**

## ASSAMESE

## অসমীয়া

## Paper – III

## প্ৰশ্নকাকত– III

**Note :** This paper contains **seventy five (75)** objective type questions, each question carrying **two (02)** marks. Attempt **all** of them.

**টোকা :** এই প্ৰশ্ন কাকতত **পয়সত্তৰ (75)** টা বহুবিকল্পীয় প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **দুই (2)** । সকলো প্ৰশ্নৰ উত্তৰ কৰিবাঁ ।

তলৰ 1ৰ পৰা 20নং প্ৰশ্নলৈকে চাৰিটা বিকল্প উত্তৰ দিয়া আছে । শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ ।

**1.** “সংস্কৃতি সামাজিক উত্তৰাধিকাৰ” – এই অভিমতটি কাৰ ?

(1) মৰেট (2) টাইলৰ

(3) মলিনৱস্কি (4) ডৰচন

**2.** সংস্কৃতি অধ্যয়নৰ ক্ষেত্ৰত ব্যৱহৃত Accultanation শব্দটোৰ অসমীয়া প্ৰতিশব্দ হৈছে -

(1) সমাহৰণ (2) সংস্কৃতি গ্ৰহণ

(3) সংশ্লেষণ (4) একীকৰণ

**3.** দশম-একাদশ শতিকাৰ নাথ সিদ্ধসকলৰ কাহিনী লৈ ৰচিত ‘গোবিন্দচন্দ্ৰেৰ গীত’ৰ ৰচয়িতাজন হৈছে

(1) দুৰ্লভ মল্লিক (2) সুকুমাৰ সেন

(3) ভবানী দাস (4) সুকুৰ মামুদ

**4.** ‘গুণমালা’ পুথিখন কি ছন্দত ৰচিত ?

(1) ঝুমুৰী (2) পদ

(3) দিগক্ষৰা (4) কুসুমমালা

**5.** উমাচলৰ শিলালিপিত কোনগৰাকী ৰজাৰ নামৰ উল্লেখ পোৱা যায় ?

(1) ভাস্কৰবৰ্মা (2) সুৰেন্দ্ৰৱৰ্মা

(3) ধৰ্মপাল (4) বনমালবৰ্মা

6. জাঁ পল ছাৰ্টে (Jean-Paul Sarte) কোন সাহিত্য তত্ত্বৰ লগত জড়িত ?

(1) অস্তিত্ববাদ (2) অধিবাস্তৱবাদ

(3) প্ৰপঞ্চতত্ব (4) সংযুতিবাদ

7. হৰিবৰ বিপ্ৰৰ ‘বব্ৰুবাহনৰ যুদ্ধ’ৰ আখ্যানভাগ মূল গ্ৰন্থখন হৈছে

(1) বামন পুষাণ

(2) জৈমিনীয়াশ্বমেধ

(3) নৃসিংহ পুৰাণ

(4) মহাভাৰতৰ আদিপৰ্ব

8. তলৰ কোনগৰাকী পাঁচালী কবি ভাগৱত-পুৰাণৰ অনুবাদৰ সৈতে জড়িত ?

(1) মনকৰ (2) দুৰ্গাবৰ

(3) পীতাম্বৰ (4) সুকবি নাৰায়ণদেৱ

9. প্ৰসন্নলাল চৌধুৰীৰ ‘নাঙলৰ গীত’ কবিতাটো প্ৰথম ক’ত প্ৰকাশ পাইছিল ?

(1) জয়ন্তী (2) আৱাহন

(3) পছোৱা (4) বাঁহী

10. ‘মানুহ বিচাৰি’ গ্ৰন্থখনৰ ৰচক কোন ?

(1) শিৱনাথ বৰ্মন (2) মুনীন বৰকটকী

(3) চৈয়দ আব্দুল মালিক (4) লক্ষ্যধৰ চৌধুৰী

11. অসমান ৰূপকল্পত বিন্যস্ত অসমান দৈৰ্ঘ্যৰ চৰণত সজ্জিত ছন্দসজ্জাই হৈছে –

(1) অমিতাক্ষৰ ছন্দ (2) মুক্তক ছন্দ

(3) স্পন্দিত গদ্য (4) দীৰ্ঘ অমিতাক্ষৰ

12. ক খ খ ক | ক খ খ ক | গ ঘ | গ ঘ | গ ঘ – এই অন্ত্যমিলৰ বিন্যাসত বিন্যস্ত চনেটটি হৈছে –

(1) ফৰাচী (2) ইটালীয়

(3) ছেক্সপীয়েৰীয় (4) ৰাবিন্দ্ৰীক

13. 'ইঁবাকু বিচু' কোন জনগোষ্ঠীয়ে পালন কৰা উৎসৱ ?

(1) দেউৰী (2) তিৱা

(3) কাৰ্বি (4) বড়ো

14. অনুবাদ কাৰ্যত হ'ব পৰা ক্ষতি এৰাই চলিবৰ বাবে গ্ৰহণ কৰিবলগীয়া প্ৰক্ৰিয়াটো হ'ল –

(1) কথন (2) ব্যাখ্যানুবাদ

(3) পুনঃসৃজন (4) মূল্যাংকন

15. জিভাৰ আগটো দুয়োপাৰি দাঁতৰ মাজত ৰাখি বায়ুৰ সোঁতটো একাৰেৰে উলিয়াই দি উচ্চাৰণ কৰা ধ্বনিটোক বোলা হয় –

(1) কম্পিত (2) দন্তমূলীয়

(3) পাৰ্শ্বিক (4) দন্তউষ্ম

16. অসমীয়া ভাষাৰ উষ্ম বৰ্ণ হৈছে

(1) তিনিটা (2) পাঁচোটা

(3) চাৰিটা (4) ছটা

17. ধ্বনিবাদৰ প্ৰধান প্ৰৱক্তাগৰাকী হৈছে –

(1) আনন্দবৰ্ধন (2) বামন

(3) কুন্তক (4) ভামহ

18. 'Comparative Literature' অভিধাটো প্ৰথমে কোনে ব্যৱহাৰ কৰিছিল ?

(1) ৰেইমণ্ড ৱিলিয়ামছ (2) হেনৰি ৰেমাক

(3) জৰ্জ ছেইন্টছ্‌বেৰী (4) মেথিউ আৰ্নল্ড

19. 'কিৰাত জনকৃতি' গ্ৰন্থখনৰ ৰচক

(1) ভূৱনমোহন দাস

(2) ৰাজমোহন নাথ

(3) সুনীতিকুমাৰ চেটাৰ্জী

(4) সুকুমাৰ সেন

**20.** "ধ্বনিবিজ্ঞানে ভাষাৰ কেঁচামাল সংগ্ৰহ কৰে আৰু বৰ্ণবিজ্ঞানে এই কেঁচামালবোৰকে চালি জাৰি ৰন্ধন কৰে ।" – এই অভিমতটি কাৰ ?

(1) মৰিছ হল (2) কে.এল. পাইক

(3) ব্লুমফিল্ড (4) গ্লিছন

তলৰ 21 ৰ পৰ 30 নং প্ৰশ্নলৈকে প্ৰতিটো প্ৰশ্নৰ লগত চাৰিটাকে বিকল্প দিয়া আছে । এই বিকল্পসমূহৰ মাজত দুটা বা ততোধিক শুদ্ধ বিকল্প আছে । শুদ্ধ বিকল্পৰ সমূহ বা থূলটো বিচাৰি উলিওৱাঁ ।

**21.** একেধাৰে উপন্যাস ৰচনা আৰু লোকসংস্কৃতিৰ গৱেষণাত সিদ্ধহস্ত লোক –

(i) প্ৰফুল্লদত্ত গোস্বামী

(ii) নবীনচন্দ্ৰ শৰ্মা

(iii) লীলা গগৈ

(iv) বিৰিঞ্চিকুমাৰ বৰুৱা

(1) (i) (iii) (iv)

(2) (i) (ii) (iv)

(3) (ii) (iv)

(4) (i) (ii)

**22.** তলৰ কোনকেইগৰাকী লেখিকাই সাহিত্য অকাদেমি বঁটা লাভ কৰিছে ?

(i) পূৰবী বৰমুদৈ

(ii) অৰূপা পটঙ্গীয়া কলিতা

(iii) কৰবী ডেকা হাজৰিকা

(iv) ৰীতা চৌধুৰী

(1) (i) (iii)

(2) (iii) (iv)

(3) (i) (ii) (iv)

(4) (i) (iii) (iv)

**23.** কৃষিৰ লগত জড়িত উৎসৱ -

(i) ৰ'ল কেতেৰ

(ii) চমাংকান

(iii) পয়চাংকেন

(iv) মিলিগাবা বিচু

(1) (ii) (iv)

(2) (i) (iv)

(3) (i) (iii) (iv)

(4) (ii) (iii) (iv)

**24.** ব্যকৰণবিদ আৰু অভিধান প্ৰণেতা

(i) গিৰিধৰ শৰ্মা

(ii) হেমচন্দ্ৰ বৰুৱা

(iii) সত্যনাথ বৰা

(iv) গোলোকচন্দ্ৰ গোস্বামী

(1) (i) (ii)

(2) (ii) (iv)

(3) (i) (iii) (iv)

(4) (i) (ii) (iv)

**25.** তলৰ কোনকেইগৰাকী লেখক কবিতা আৰু উপন্যাস ৰচনাৰ লগত জড়িত ব্যক্তিকেইগৰাকী -

(i) নৰকান্ত বৰুৱা

(ii) নীলম কুমাৰ

(iii) নীলমণি ফুকন

(iv) হোমেন বৰগোহাঞি

(1) (i) (iii)

(2) (ii) (iv)

(3) (ii) (iii) (iv)

(4) (i) (ii) (iv)

**26.** তলৰ কোনকেইখন উপন্যাস শঙ্কৰদেৱৰ জীৱনৰ আধাৰত ৰচনা কৰা ?

(i) ধন্য নৰতনু ভাল

(ii) সেহি সব্যসাচী

(iii) যাকেৰি নাহিকে উপাম

(iv) সেহি গুণনিধি

(1) (ii) (iv)

(2) (i) (iii)

(3) (i) (ii) (iv)

(4) (i) (iii) (iv)

**27.** দ্বিপৰ্বিক চৰণবন্ধৰ ছন্দসজ্জাৰ উদাহৰণ –

(i) কুসুমমালা

(ii) একাৱলী

(iii) হংসমালা

(iv) পয়াৰ

(1) (i) (iii)

(2) (ii) (iii)

(3) (i) (iii) (iv)

(4) (i) (ii) (iv)

**28.** বড়ো ভাষাৰ পৰা অহা শব্দসমূহৰ থূল

(i) লাওখোলা, হাওফাও, জখলা, হোজা

(ii) দিবং, জোং, হাফলু, মাইহাং

(iii) নামদাং, ফাৰেং, লাং, হং

(iv) দোকান, কচাই, খাজানা, জৰিমনা

(1) (i) (iii)

(2) (i) (ii)

(3) (ii) (iii)

(4) (ii) (iv)

**29.** তলৰ কোনকেইটা উপাদান অসমীয়া সংস্কৃতিলৈ অষ্ট্রিক সংস্কৃত বৰঙনি বুলি ক'ব পৰা যায় ?

(i) চিকাৰ আৰু পশুপালন

(ii) নাঙলৰ ব্যৱহাৰ

(iii) ব্যৱহাৰিক জীৱনত বাঁহৰ প্ৰয়োগ

(iv) সামাজিক জীৱনত মৰংবা ডেকাচাঙৰ অৱস্থিতি

(1) (ii) (iii)

(2) (i) (ii)

(3) (i) (iii) (iv)

(4) (i) (ii) (iv)

**30.** তলৰ কোনকেইটা শাৰী একেটা চৰ্যাৰ পৰা উদ্ধৃত ?

(i) কাআ তৰুবৰ পঞ্চ বি ডাল ।

(ii) ভৱ নই গহন গম্ভীৰ বেগেঁ বাহী ।।

(iii) দিঢ় কৰিঅ মহাসুহ পৰিমাণ ।

(iv) ভনই লুই আম্‌হে ঝাণে দিঠা ।।

(1) (i) (ii)

(2) (ii) (iii)

(3) (i) (iii) (iv)

(4) (i) (ii) (iii)

তলৰ 31ৰ পৰা 35লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি অথবা কাৰ্যকাৰণ নিৰ্ণয় কৰি (1), (2) (3) আৰু (4) বিকল্পৰ মাজৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ ।

**31.** তেও যদি তুমি বোলা

আমি ভকত সৰু,

তেনেহ'লে তুমি এটা

জাত বলত গৰু ।

এই পংক্তিটিত লক্ষণাৰ্থ সিদ্ধ হৈছে । কাৰণ,

(1) ইয়াত মুখ্যাৰ্থ অচল হ'ল আৰু গৰুৰ মুখ্যাৰ্থৰ লগত সাদৃশ্য থকা 'মূৰ্খ' অৰ্থ গ্ৰহণ কৰিব লগা হ'ল ।

(2) ইয়াত মুখ্যাৰ্থ গৌণ অৰ্থতকৈ অধিক শক্তিশালী ।

(3) গৰুৰ মুখ্যাৰ্থক ভকত সৰু বোলা গৌণ অৰ্থৰ ওপৰত আৰোপ কৰা হৈছে ।

(4) মুখ্যাৰ্থ আৰু গৌণ অৰ্থৰ উপৰুৱা সম্পৰ্ক নাই কিন্তু অৰ্থৰ সংগতি আছে ।

**32.** আধুনিক কবিতা সন্ধানী, বিশ্লেষণী আৰু সহজ-সিদ্ধান্তবিমুখী হয় । কাৰণ,

(1) বৌদ্ধিক উত্তেজনা – অনুসন্ধিৎসাৰ পৰা আধুনিকতা ওপজে ।

(2) আধুনিক জীৱনবোধ জটিল ।

(3) আধুনিক কবিতা বাস্তৱৰ হুবহু প্ৰতিফলন ।

(4) আধুনিক কবিতাত ঐশী শক্তিৰ প্ৰভাৱ নাই ।

**33.** কোনেও নাৰী হৈ জন্মা নাই, কিন্তু নাৰী হৈ পাৰে । কাৰণ,

(1) ঐতিহাসিকভাৱে নাৰীক বিপথগামী আৰু অস্বাভাৱিক বুলি দেখুওৱা হৈছে ।

(2) নাৰীয়ে সদায় পুৰুষক আদৰ্শ ৰূপে গ্ৰহণ কৰে ।

(3) নাৰী সত্তা সামাজিকভাৱে নিৰ্মিত হয় ।

(4) সমাজত নাৰীক অপৰ সত্তা ৰূপে গণ্য কৰা হয় ।

**34.** লোকবিদ্যাই লোকজীৱনৰ ওপৰত দূৰ অতীতৰ পৰাই গভীৰ ৰেখাপাত কৰি আহিছে । কিয়নো –

(1) লোকবিদ্যাই অতীতৰ পৰাই জনজীৱনত সামাজিক সম্পৰ্ক প্ৰতিষ্ঠা কৰাত সহায় কৰি আহিছে ।

(2) লোকবিদ্যাই অতীতৰ পৰাই জনজীৱনক প্ৰভাৱান্বিত কৰাৰ লগতে অভিব্যক্তি প্ৰকাশ কৰাত অৰিহনা যোগাই আহিছে ।

(3) লোকবিদ্যাই লোক-জীৱনক উদ্দেশ্য কৰি সামাজিক পৰিবৰ্তন সম্ভৱ কৰি তোলে ।

(4) লোকবিদ্যাই লোক জীৱনক অতীতৰ পৰাই প্ৰভাৱান্বিত কৰি আহিছে ।

**35.** নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ বিভক্তিমূলক (Infectional affix) কাৰণ

(1) নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰৰ সংযোগে মূল শব্দটোৰ অৰ্থৰ পৰিবৰ্তন ঘটায় ।

(2) নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰে মৌলিক অৰ্থৰ পৰিৱৰ্তন ঘটোৱা নাই বৰং অতিৰিক্ত অৰ্থ সংযোগ কৰি শব্দটোৰ ৰূপৰ পৰিৱৰ্তনহে ঘটাইছে ।

(3) নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰৰ সংযোগে নতুন অৰ্থযুক্ত শব্দৰ সৃষ্টিৰ অৰিহনা যোগাইছে ।

(4) নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰক মূল শব্দৰ লগত সংযোগ ঘটাই নতুন নতুন শব্দ সৃষ্টি কৰাৰ লগতে অৰ্থৰ পৰিৱৰ্তন ঘটাইছে ।

তলৰ 36ৰ পৰ 40লৈ দিয়া প্ৰতিটো উক্তি (Assertion) আৰু যুক্তি (Reason) হিচাপে উল্লেখ কৰা বিবৃতি দুটাৰ বিষয়ে যুগুতোৰা (1), (2), (3), (4) ৰ পৰা শুদ্ধ উত্তৰটো নিৰ্ণয় কৰাঁ ।

**36.** **উক্তি :** ভাষাই জীৱন ধাৰণ কৰে সাধাৰণ মানুহৰ মুখত; মানুহৰ প্ৰয়োজন অনুসৰি মুখৰ কথাই গঢ় সলালে ভাষাৰ পৰিৱৰ্তন অৱশ্যম্ভাৱী ।

**যুক্তি :** মানুহৰ মুখত ভাষাই গঢ় লয়; পৰম্পৰাগতভাৱে ভাষা শিকা নহয় বাবে ভাষাৰ পৰিৱৰ্তন ঘটে ।

(1) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

(2) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

(3) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

(4) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

**37.** **উক্তি :** বাস্তৱবাদী সাহিত্যত ভাৱবিলাস নাই ।

**যুক্তি :** বাস্তৱবাদী সাহিত্যত কল্পনাৰ বাবে কোনো স্থান নাই ।

(1) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

(2) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

(3) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

(4) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

**38.** **উক্তি :** অসমীয়া ভাষাত ‘য়’ এটা প্ৰতিধ্বনিহে (glide) উচ্চাৰণত ইয়াৰ বৰ্ণগত মৰ্যাদা নাই ।

**যুক্তি :** উচ্চস্বৰৰ পাছত নিম্নস্বৰ থাকিলে মাজতে য়-শ্ৰুতিৰ আগম হয় ।

(1) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

(2) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

(3) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

(4) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

**39.** **উক্তি :** বিভিন্ন জনগোষ্ঠী আৰু সংস্কৃতিৰ সন্মিলিত উপাদানেৰে ভাৰতীয় সংস্কৃতিৰ বৰভেঁটি ৰচনা হৈছে ।

**যুক্তি :** ভাৰতীয় সংস্কৃতি বিভিন্ন জনগোষ্ঠীয় সংস্কৃতিৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে ।

(1) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

(2) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

(3) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

(4) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

**40.** **উক্তি :** আধুনিক কবিতাৰ অনুবাদৰ ক্ষেতত অধিক জটিলতাৰ সৃষ্টি হয় ।

**যুক্তি :** আধুনিক কবিতাত অধিক চিত্ৰকল্প আৰু প্ৰতীকৰ ব্যৱহাৰ কৰা হয় ।

(1) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

(2) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

(3) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

(4) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

তলত 41 ৰ পৰা 55 লৈ দিয়া বিষয়সমূহ লগত দিয়া নিৰ্দেশনাৰ আধাৰত সজাই (1), (2), (3) (4) গোটৰ পৰা শুদ্ধ ক্ৰমটো নিৰ্ণয় কৰাঁ ।

**41.** জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ –

(a) যতীন্দ্ৰনাথ গোস্বামী

(b) সত্যেন্দ্ৰনাথ শৰ্মা

(c) ডিম্বেশ্বৰ নেওগ

(d) দেবেন্দ্ৰনাথ বেজবৰুৱা

(1) (a) (b) (c) (d)

(2) (d) (c) (b) (a)

(3) (b) (a) (d) (c)

(4) (b) (c) (d) (a)

**42.** তলৰ আলোচনীকেইখন প্ৰথম প্ৰকাশৰ চনৰ আধাৰত সজোৱাঁ ।

(a) অসম সাহিত্য সভা পত্ৰিকা

(b) মণিদীপ

(c) প্ৰকাশ

(d) আমাৰ প্ৰতিনিধি

(1) (a) (b) (d) (c)

(2) (b) (c) (a) (d)

(3) (a) (d) (b) (c)

(4) (b) (d) (a) (c)

**43.** জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ –

(a) অমূল্য বৰুৱা

(b) হেম বৰুৱা

(c) অজিৎ বৰুৱা

(d) ভবেন বৰুৱা

(1) (a) (b) (d) (c)

(2) (a) (d) (b) (c)

(3) (b) (a) (c) (d)

(4) (b) (c) (a) (d)

**44.** প্ৰথম প্ৰকাশৰ সময়ৰ আধাৰত সজোৱাঁ

(a) ডাৱৰ আৰু নাই

(b) সূৰযমুখীৰ স্বপ্ন

(c) কেঁচা পাতৰ কঁপনি

(d) জীৱনৰ বাটত

(1) (d) (a) (c) (b)

(2) (d) (c) (a) (b)

(3) (a) (c) (b) (d)

(4) (a) (b) (c) (d)

**45.** সময় অনুসৰি সজোৱাঁ

(a) নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি

(b) ভাস্কৰবৰ্মাৰ নিধনপুৰ তাম্ৰশাসন

(c) কানাই-বৰশীবোৱা শিলালিপি

(d) উমাচল লিপি

(1) (a) (d) (b) (c)

(2) (b) (c) (a) (d)

(3) (a) (c) (b) (d)

(4) (b) (a) (c) (d)

**46.** প্ৰথম প্ৰকাশৰ সময় অনুসৰি সজোৱাঁ ।

(a) মোৰ সোঁৱৰণী

(b) মোৰ জীৱন সোঁৱৰণ

(c) জীৱন বীণাৰ সুৰ

(d) মোৰ জীৱনৰ নহ’লবোৰ

(1) (a) (c) (b) (d)

(2) (a) (d) (c) (b)

(3) (b) (a) (c) (d)

(4) (b) (c) (a) (d)

**47.** তলত উল্লেখ কৰা জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকেইখন প্ৰকাশৰ চনৰ আধাৰত একাদিক্ৰমে সজোৱাঁ ।

(a) লভিতা

(b) শোনিত কুঁৱৰী

(c) ৰূপালীম

(d) কাৰেঙৰ লিগিৰী

(1) (a) (c) (b) (d)

(2) (b) (a) (c) (d)

(3) (a) (d) (b) (c)

(4) (b) (c) (d) (a)

**48.** প্ৰথম প্ৰকাশৰ চন অনুসৰি সজোৱাঁ

(a) হাতী আৰু ফান্দী

(b) নিমিলা অঙ্ক

(c) মৃণাল মাহী

(d) মগৰিবৰ আজান

(1) (b) (c) (d) (a)

(2) (d) (a) (c) (b)

(3) (d) (b) (c) (a)

(4) (c) (b) (a) (d)

**49.** ঐতিহাসিক ক্রম অনুসৰি সজোৱাঁ

(a) ইয়াণ্ডাবু সন্ধি

(b) প্ৰথম অসমীয়া ছপা পুথিৰ প্ৰকাশ

(c) খামতি বিদ্ৰোহ

(d) অসমত বাংলা ভাষাৰ প্ৰৱৰ্তন

(1) (a) (b) (d) (c)

(2) (b) (a) (d) (c)

(3) (d) (c) (a) (b)

(4) (a) (c) (d) (b)

**50.** জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ ।

(a) বিষ্ণুপ্ৰসাদ ৰাভা

(b) সত্যনাথ বৰা

(c) বীৰেন্দ্ৰনাথ দত্ত

(d) ভূপেন হাজৰিকা

(1) (b) (a) (d) (c)

(2) (b) (d) (a) (c)

(3) (a) (b) (d) (c)

(4) (c) (a) (b) (d)

**51.** প্ৰতিষ্ঠাৰ কাল অনুসৰি একাদিক্ৰমে সজোৱাঁ ।

(a) অসমীয়া ভাষা উন্নতি সাধিনী সভা

(b) এ.এচ.এল. ক্লাৱ

(c) অসম সাহিত্য সভা

(d) অসম ছাত্ৰ সন্মিলন

(1) (b) (a) (d) (c)

(2) (c) (b) (a) (d)

(3) (d) (b) (a) (c)

(4) (b) (d) (a) (c)

**52.** প্ৰথম প্ৰকাশৰ চন অনুসৰি সজোৱাঁ

(a) A Cultural History of Assam

(b) Houshold Tales

(c) Morphology of the Folklore

(d) The Histroy of Civilisation of the people of Assam

(1) (a) (b) (d) (c)

(2) (d) (b) (a) (c)

(3) (d) (c) (a) (b)

(4) (b) (d) (a) (c)

**53.** প্ৰথম প্ৰকাশৰ সময়ৰ আধাৰত সজোৱাঁ

(a) অসমীয়া ছন্দশিল্পৰ ভূমিকা

(b) অসমীয়া ছন্দৰ শিল্পতত্ত্ব

(c) অসমীয়া কবিতাৰ ছন্দ

(d) কবিতাৰ জুতি বিচাৰ

(1) (c) (b) (d) (a)

(2) (a) (c) (b) (d)

(3) (c) (a) (b) (d)

(4) (a) (b) (d) (c)

**54.** জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ ।

(a) স্নেহ দেৱী

(b) যমুনেশ্বৰী খাটনিয়াৰ

(c) নলিনীবালা দেৱী

(d) ধৰ্মেশ্বৰী দেৱী বৰুৱাণী

(1) (d) (b) (c) (a)

(2) (b) (d) (c) (a)

(3) (d) (b) (a) (c)

(4) (c) (d) (b) (a)

**55.** প্ৰথম প্ৰকাশৰ চনৰ আধাৰত একাদিক্ৰমে সজোৱাঁ ।

(a) মৌচাক

(b) অকন

(c) ৰংঘৰ

(d) সঁফুৰা

(1) (c) (b) (d) (a)

(2) (b) (c) (a) (d)

(3) (c) (a) (d) (b)

(4) (b) (d) (c) (a)

তলৰ 56 ৰ পৰা 70 লৈ দিয়া প্ৰশ্নসমূহৰ 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভৰ থকা বিষয়সমূহ মিলাই (1), (2), (3), (4) এই চাৰিটা বিকল্প দেখুওৱা হৈছে । তাৰ পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰাঁ ।

**56.**

| **'ক' স্তম্ভ** | | **'খ' স্তম্ভ** | |
|---|---|---|---|
| a. | ভাৰীগান | i. | সূত্ৰধাৰ |
| b. | কুশানগান | ii. | গীদাল |
| c. | খুলীয়া ভাউৰীয়া | iii. | কেতুৱা |
| d. | পুতলা নাচ | iv. | ওজা |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | ii | iii | iv | i |
| (2) | ii | i | iii | iv |
| (3) | iv | iii | i | ii |
| (4) | i | ii | iii | iv |

**57.**

| **'ক' স্তম্ভ** | | **'খ' স্তম্ভ** | |
|---|---|---|---|
| a. | দেও পাহাৰৰ ভাস্কৰ্য | i. | তেজপুৰ |
| b. | দ-পৰ্বতীয়াৰ শৈলমন্দিৰৰ ভাস্কৰ্য | ii. | নুমলীগড় |
| c. | মদন কামদেৱ | iii. | শদিয়া |
| d. | কেঁচাই খাতী থান | iv. | কামৰূপ |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | ii | iii | i | iv |
| (2) | iii | ii | iv | i |
| (3) | i | iv | iii | ii |
| (4) | ii | i | iv | iii |

**58.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | খ্বাম | i. | বড়ো/ৰাভা |
| b. | চেং | ii. | মিচিং |
| c. | দুমদুম | iii. | ডিমাচা |
| d. | খাম | iv. | কার্বি |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | ii | i | iv | iii |
| (2) | iii | iv | ii | i |
| (3) | i | iii | ii | iv |
| (4) | iii | iv | i | ii |

**59.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | দুবৰি চনত জোনাকীৰ মণি,<br>চুলিৰ মেঘত লাহি আঙুলিৰ বহুতো জোন | i. | ৰাম গগৈ |
| b. | কপালৰ ঘাম লাগি সেউজীয়া পৃথিৱী আমাৰ | ii. | হোমেন বৰগোহাঞি |
| c. | কি দুঃসহ সুন্দৰ ছবি, উষ্ণ আৱেগ আৰু উত্তাপ | iii. | মহেন্ত বৰা |
| d. | স্বপ্নৰ আমেজ ভাঙে, ফোন আৰু<br>গাড়ীৰ কৰ্কশ স্পন্দনে<br>চিঠি আহো হালধীয়া খাম, হেজাৰে<br>টন তেলৰ হিচাপ । | iv. | নৱকান্ত বৰুৱা |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iv | i | ii | iii |
| (2) | ii | i | iv | iii |
| (3) | iv | i | iii | ii |
| (4) | ii | iv | iii | i |

**60.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | ভট্টদেৱ | i. | পাছে এইৰূপে ৰাজাগৈ গোমতী নদীৰ পানীত হাতীৰ ওপৰত বহিল । পাছে যুৱৰাজে পানীত নামি পানী মৰামৰি কৰিছিল । |
| b. | বুৰঞ্জী | ii. | এমনে অজ্ঞানী পুৰুষৰ কৰ্ম কৰিব লাগে । যি পুনু আমাতে ৰতি, আত্মত তুষ্ট হৈল, তাৰ হেতু শুনা । |
| c. | গুৰুচৰিত | iii. | জোৰআ ভাদ মাহত আন আন গাঁৱত জিবোৰ খ্রিষ্টিয়ান মণ্ডলি আচে । |
| d. | অৰুনোদই | iv. | ভক্তে হৰিগুণ গাই আছে পক্ষ তিনি পূৰ্বে বৰপেটা চিল তাৰে জল খাইঃ দূৰগৰ ভালুকৰ ভই নিশা জাবলৈ ধুতিত্ৰ নপৰে ।। |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | ii | iv | i | iii |
| (2) | ii | i | iv | iii |
| (3) | i | ii | iii | iv |
| (4) | i | ii | iv | iii |

**61.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | এডৱাৰ্ড চেইড | i. | পাঠক-সঁহাৰি তত্ত্ব |
| b. | মিচেল ফুকো | ii. | বিনিৰ্মাণ |
| c. | জাক ডেৰিডা | iii. | চিহ্ন বিজ্ঞান |
| d. | আই.এ.ৰিচাৰ্ড | iv. | উত্তৰ ঔপনিবেশিকতাবাদ |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iii | i | ii | iv |
| (2) | i | ii | iii | iv |
| (3) | iv | iii | ii | i |
| (4) | iii | iv | i | ii |

62. **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | হেমচন্দ বৰুৱা | i. | ল’ৰাবন্দু |
| b. | গুণাভিৰাম বৰুৱা | ii. | উষা |
| c. | জ্ঞানদাভিৰাম বৰুৱা | iii. | আসাম বন্ধু |
| d. | পদ্মনাথ গোহাঞিবৰুৱা | iv. | আসাম নিউজ |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iv | iii | i | ii |
| (2) | iv | i | ii | iii |
| (3) | i | ii | iv | iii |
| (4) | ii | i | iii | iv |

63. **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | আঙ্কল টমচ কেবিন | i. | মাটি আৰু মৰম |
| b. | লা মিজাৰেৱল | ii. | দদাইৰ পঁজা |
| c. | দ্য গ্ৰ’থ অৱদ্য ছইল | iii. | দীন দুখী |
| d. | মার্চেন্চ অৱ দ্য ভেনিচ | iv. | বনিজ কোঁৱৰ |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | ii | iv | i | iii |
| (2) | iii | i | iv | ii |
| (3) | i | iv | iii | ii |
| (4) | ii | iii | i | iv |

64. **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | য়িমচুংগাৰ | i. | চিকিম |
| b. | টাংখুল | ii. | অৰুনাচল |
| c. | লিচু | iii. | মণিপুৰ |
| d. | নেৱাৰী | iv. | নাগালেণ্ড |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iv | iii | ii | i |
| (2) | i | iv | iii | ii |
| (3) | ii | i | iii | iv |
| (4) | iv | ii | i | iii |

**65.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | অসমৰ ভাষা | i. | উপেন ৰাভা হাকাচাম |
| b. | অসমৰ ভাষা পৰিচয় | ii. | ভীমকান্ত বৰুৱা |
| c. | অসমীয়া আৰু অসমৰ ভাষা | iii. | প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য |
| d. | অসমীয়া আৰু অসমৰ ভাষা-উপভাষা | iv. | বিশ্বজিৎ দাস |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | ii | iii | iv | i |
| (2) | ii | iv | iii | i |
| (3) | i | iv | ii | iii |
| (4) | iv | i | iii | ii |

**66.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | আকাশৰ ছবি আৰু অন্যান্য গল্প | i. | হীৰেন্দ্ৰনাথ দত্ত |
| b. | মানুহ অনুকূলে | ii. | কবীন ফুকন |
| c. | তোক দেখি ন জোনে | iii. | কুল শইকীয়া |
| d. | ধূলিয়ৰি ভৰিৰ সাঁচ | iv. | ৰবীন্দ্ৰ সৰকাৰ |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iii | ii | i | iv |
| (2) | iv | ii | iii | i |
| (3) | iii | i | ii | iv |
| (4) | ii | i | iii | iv |

**67.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

| | | | |
|---|---|---|---|
| a. | চুটিগল্প | i. | টোকোৰা বাহৰ সোনৰ বেজি |
| b. | কবিতা | ii. | আন্দাৰত নিজৰ মুখ |
| c. | নাটক | iii. | দলঙত অমীঘৰ । |
| d. | উপন্যাস | iv. | এটা চোলাৰ কাহিনী |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | ii | i | iii | iv |
| (2) | ii | iii | iv | i |
| (3) | i | iv | ii | iii |
| (4) | i | ii | iv | iii |

**68.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

a. কা-ড্রপ i. মৃত্যুঞ্জয়

b. ডিমি ii. সেই নদী নিৰবধি

c. লক্ষ্মী iii. বনজুই

d. জোনা iv. কেঁচা পাতৰ কঁপনি

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iv | i | ii | iii |
| (2) | iv | ii | iii | i |
| (3) | i | iii | ii | iv |
| (4) | iii | ii | i | iv |

**69.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

a. ডিমাছা i. পিনি

b. গাৰো ii. জঁকাচ্ছিবা

c. কার্বি iii. ৰিগু

d. দেউৰী iv. দাকমান্দা

| | a | b | c | d |
|---|---|---|---|---|
| (1) | i | ii | iii | iv |
| (2) | iii | i | iv | ii |
| (3) | ii | i | iv | iii |
| (4) | iii | iv | i | ii |

**70.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

a. ছগ্ৰামিছৰা i. কার্বি

b. লকু ii. গাৰো

c. ছ’জুন iii. নক্টে

d. ৰংচুগালা iv. তিৱা

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iv | iii | i | ii |
| (2) | i | iii | iv | ii |
| (3) | ii | iv | iii | i |
| (4) | i | iii | ii | iv |

তলত দিয়া কথাখিনি ভালদৰে পঢ়ি 71 ৰ পৰা 75 লৈকে সংলগ্ন প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ (1) (2), (3) আৰু (4) বিকল্প মাজৰ পৰা বাছি উলিওৱাঁ :

চৈতন্যৰ উদয়ৰপৰা মৰণলৈকে মানৱ জীৱন এটা সুদীৰ্ঘ কাৰুণ্যৰ আবেগ মাথোন ; নাইবা গভীৰ নৈৰাশ্যৰ দীৰ্ঘ নিশ্বাস । ইচ্ছা, আকাঙ্ক্ষা, অতৃপ্ত বাসনা, হাঁহি-কান্দোন, মানসিক প্ৰবৃত্তি মোহৰ লগ লাগি কেৱল কৰুণ ধ্বনিত পৰিণত হয় । সূৰ্যোদয়ৰ লগে লগে মনত যি অদম্য আশাৰ সঞ্চাৰ হয়, হৃদয়ত যি শূন্যৰ লগতে মিহলি হৈ যাবৰ আৱেগ হয়, সূৰ্যাস্তৰ সময়ত আত্মবিশ্লেষণ কৰি চালে সেই উদ্দাম-উৎসাহৰ শতাংশৰ এভাগো কামত পৰিণত নহয় । পুৱাৰ নৱ-বিকশিত জীৱনোচ্ছাস সকলোৰে জীৱনত সন্ধিয়াৰ নৈৰাশ্যৰ দীৰ্ঘ-নিশ্বাস স্বৰূপে বাহিৰ হয় । জীৱনৰ এই ভীষণ নৈৰাশ্যৰ হাত সাৰিবলৈকে যোগীসকলে শূন্যত আশাৰ কণিকা বিচাৰি বিচাৰি জীৱন অতিবাহিত কৰে । জগতৰ অমৰ কাব্যবোৰ অনেক সময়ত জীৱন শ্মশানৰ হাহা-ধ্বনি, অনেক সময়ত গভীৰ নৈৰাশ্যৰ মৰ্মভেদী শ্বাস । এই নিশ্বাসেই প্ৰকৃত জীৱন-শ্বাস আৰু এই নিশ্বাসতেই সকলো সুকুমাৰ কলাৰ উৎপত্তি হয় ।

নব্য জগতৰ সুবিখ্যাত চিত্ৰকৰ ইটালী দেশীয় মাইকেল এঞ্জিলোৰ চিত্ৰবোৰ কেৱল বিষাদৰ ভিন্ন-ভিন্ন অৱস্থাৰ প্ৰতিমূৰ্তি মাথোন । তেওঁৰ চিত্ৰবোৰ পঢ়ি চালে জগতত আশা আনন্দ আদি নাই যেন লাগে । তেওঁ অঁকা ছবিত কোমল শিশুৰ হাঁহি বা হাস্যময় মুখৰ পিনে চাই থাকিও মাকৰ মুখত কেৱল ভীষণ নিৰাশাৰ ভাব এটাহে পৰিস্ফুট হয়, অথচ মাইকেল এঞ্জিলোৰ নিচিনা, যশ, গৌৰৱ, ধন-সম্পদ, অক্ষুণ্ণ স্বাস্থ্য আৰু সুদীৰ্ঘ জীৱন অলপ মানুহৰ ভাগ্যতহে কেতিয়াবা কদাচিত ঘটে । দিব্য চকুৰে তেওঁ জগতত বিষাদত বাজে অইন একো পদাৰ্থ বা ভাব-বাস্তৱ নেদেখিলে ।

মহামুনি বাল্মীকি জগতৰ আদিকবি আৰু মহাকাব্য ৰামায়ণো জগতৰ আদি, আৰু জগতৰ আদি কবিতা “মা নিষাদ” ইত্যাদি পদফাকি । আৰু এই সকলোবোৰ এক কৰুণ ৰসতে আবদ্ধ । এই যুক্তিবোৰ বহুতে অদ্ভুত বুলি ভাবিব পাৰে । কিন্তু এই অদ্ভুতত্বৰ আমাৰ যুক্তিত নহয়, জগতৰ সাহিত্য-বুৰঞ্জীতহে । প্ৰতীচ্য জগতৰ সাহিত্যৰ উন্মেষ হয় কৱিগুৰু হোমাৰৰ ইলিয়াদত আৰু ইলিয়াদ মহাকাব্য একে কৰুণ ৰসতেই লাখা নহয়, এনে কি একে কৰুণ ৰসাত্মক বিষয় লৈ লিখা । তাৰ পিছত ইউৰোপৰ সাহিত্যই মধ্যয়গত অন্ধকাৰত আধা মৰা হৈ থাকি নৱীন যুগৰ আদিতে গভীৰ মৰ্মভেদী হৃদয়-বিদাৰক আৰ্তস্বৰেৰে ইটালীৰ মহাকবি ডান্টেৰ Divina Comedia নামক মহাকাব্যত নিজৰ পুনৰ্জন্ম জগতক জ্ঞাপন কৰিলে । ডান্টেৰ মহাকাব্য শোকতেই থকা নাই, ধুমুহাৰ দৰে সমস্ত জগততে বিয়পি পৰিছে । এই ভীষণ ৰসতেই সাহিত্যৰ জীৱন । কেতিয়াবা উত্তাল তৰঙ্গৰ দৰে, কেতিয়াবা কুলু-প্ৰবাহিনী স্ৰোতৰ দৰে- নানা মূৰ্তিৰেই সাহিত্যত প্ৰকাশ পায় ।

**71.** লেখকে মানৱ জীৱনক কিয় এটা সুদীৰ্ঘ কাৰুণ্যৰ লাখোন বুলিছে ?

(1) কাৰণ জীৱনত অলেখ ঘাত প্ৰতিঘাত আছে

(2) কাৰণ জীৱনত কৰিবলগীয়া কামৰ এক শতাংশও কামত পৰিণত কৰিব নোৱাৰি মনত দুখ হয় ।

(3) কাৰণ জীৱনৰ ইচ্ছা, আকাঙ্ক্ষা, অতৃপ্ত-বাসনা কৰুণ ধ্বনিত পৰিণত হৈ গভীৰ নৈৰাশ্যৰ দীৰ্ঘ নিশ্বাসত পৰিণত হয় ।

(4) কাৰণ, ইচ্ছা আকাঙ্ক্ষা, অতৃপ্ত বাসনা, হাঁহি-কান্দোন আদি প্ৰবৃত্তিবোৰে মানুহক সময়ৰ ওচৰত হাৰ মনাই কাৰুণ্যৰ সৃষ্টি কৰে ।

**72.** সুকুমাৰ কলাৰ উৎপত্তিৰ উৎস পাঠ্যাংশত কি বুলি উল্লেখ কৰিছে ?

(1) যোগীসকলৰ মানসিক চিন্তাৰ ফলত সুকুমাৰ কলাৰ সৃষ্টি হয় ।

(2) শিল্পীৰ নান্দনিক চিন্তাৰ মূৰ্ত প্ৰকাশত সুকুমাৰ কলাৰ সৃষ্টি হয় ।

(3) জীৱনৰ গভীৰ নৈৰাশ্যৰ মৰ্মভেদী শ্বাসতেই সুকুমাৰ কলাৰ উৎপত্তি হয় ।

(4) জীৱনৰ নৈৰাশ্যৰ আধাৰত উন্নত জীৱন যাপনৰ চিন্তাতেই সুকুমাৰ কলাৰ উৎপত্তি ।

**73.** জীৱনৰ ভীষণ নৈৰাশ্যৰ হাত সাৰিবলৈকে যোগীসকলে শূন্যত আশাৰ কনিকা বিচাৰি জীৱন অতিবাহিত কৰে –

কথাষাৰত আশাৰ কণিকাই কি বুজাইছে ?

(1) জীৱন যে নৈৰাশ্যৰ দীৰ্ঘ নিশ্বাস সেই কথা বুজাইছে ।

(2) নৈৰাশ্যৰ মাজৰ পৰা আঁতৰি থাকি পলায়নবাদী হোৱাৰ কথা বুজাইছে ।

(3) নৈৰাশ্যৰ মাজত আশাৰ কনিকা বিচাৰি বৃথা চেষ্টা কৰাৰ কথা বুজাইছে ।

(4) সুকুমাৰ কলা সৃষ্টিৰ কথা বুজাইছে ।

**74.** মাইকেল এঞ্জিলোৰৰ ছবিত কোমল শিশুৰ হাঁহি থকাৰ পিছতো লেখকে কিয় তেওঁৰ চিত্ৰবোৰ কেবল বিষাদৰ ভিন্ন ভিন্ন অবস্থাৰ প্ৰতিমূৰ্ত্তি মাথোন বুলিছে ?

(1) তেওঁ কেৱল বিষাদৰ ভিন্ন ভিন্ন ছবিহে অঙ্কন কৰে বাবে ।

(2) তেঁওৰ চিত্ৰবোৰ চালে জগতত আশা, আনন্দ আদি নাই যেন লাগে বাবে ।

(3) দিব্য চকুৰে তেওঁ জগতত বিষাদৰ বাহিৰে অইন একো পদাৰ্থ বা ভাব বাস্তৱ নেদেখিলে বাবে ।

(4) শিশুটিক চাই থকা মাজৰ মুখতো কেবল ভীষণ নিৰাশাৰ ভাব এটা পৰিষ্ফুট হোৱাৰ বাবে ।

**75.** পাঠটিত কৰুণ ৰসক কিয় ভীষণ ৰস বুলি অভিহিত কৰিছে ?

(1) বাল্মীকিয়ে মা-নিষাদ শ্লোক ৰচনা কৰাৰ আঁৰত কাৰুণ্য জড়িত হৈ আছে ।

(2) কাৰুণ্যই অন্তৰৰ গভীৰলৈ গৈ মহৎ সাহিত্য সৃষ্টিৰ বাট মুকলি কৰে ।

(3) কাৰুণ্য হৈছে মহা সাহিত্য সৃষ্টিৰ অন্যতম কাৰক ।

(4) ডান্টেৰ ডিভাইন কমেডি হৃদয় বিদাৰক আৰ্তস্বৰৰ পৰা সৃষ্টি হৈছে ।

**Space For Rough Work**